**ভাৰত চৰকাৰৰ “সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে” কভিড-১৯ (COVID-19) ৰ সময়ত বাধাগ্ৰস্ত ব্যক্তি সকলৰ সুৰক্ষাৰ বাবে এক নিৰ্দ্দেশণা পত্ৰ সকলো ৰাজ্যলৈ প্ৰেৰণ কৰিছে। এই নিৰ্দ্দেশণা পত্ৰৰ কেইটামান মূল কাৰ্য্যবাহী টোকা (Action Point) আপোনালোকৰ সুবিধাৰ্থে আগবঢ়ালো।**

- কভিড-১৯ (COVID-19) ৰ বাবে আগবঢ়োৱা সেৱা আৰু লব লগা সাবধানতাসমূহ সহজ আৰু স্থানীয় ভাষাত সুগমভাবে উপলব্ধ হ'ব লাগিব। যেনেঃ দৃষ্টিশক্তি নথকা লোকসকলৰ বাবে ব্ৰেইল পদ্ধতি আৰু শ্ৰৱণ বাৰ্তা (Voice Message), শ্ৰৱণশক্তি নথকা লোকসকলে বুজিব পৰাকৈ উপশীৰ্ষক (Sub Title) আৰু সাংকেতিক ভাষা (Sign Language) যুক্ত ভিডিঅ' আৰু সুগম ৱেবচাইট।

- জৰুৰীকালীন অৱস্থা আথবা স্বাস্থ্যসেৱাত জৰিত 'সাংকেতিক ভাষাৰ বাখ্যাকাৰী' (Sign Language Interpreter) হিচাপে কৰ্মৰত লোকসকলক কভিড-১৯ (COVID-19) ৰ বাবে কামকৰি থকা আন স্বাস্থ্যকৰ্মীৰ দৰেই সুৰক্ষা প্ৰদান কৰিব লাগিব।

- জৰুৰীকালীন অৱস্থাত কাম কৰি থকা সকলো দায়িত্বশীল ব্যক্তি, বাধাগ্ৰস্ত ব্যক্তিৰ অধিকাৰৰ ওপৰত প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগিব।

- বাধাগ্ৰস্ত ব্যক্তিসকলৰ সহায়ৰ ক্ষেত্ৰত থাকিবলগীয়া উপযুক্ত বাৰ্তাসমূহ সকলো সজাগতা আভিযানতেই উল্লেখ কৰিব লাগিব।

- আছুতীয়াকৈ অথবা পৃথককৈ থকাৰ সময়থিনিত বাধাগ্ৰস্তসকলে কিছু প্ৰয়োজনীয় সুবিধা পোৱাটো নিশ্চিত কৰিব লাগিব। যেনেঃ দৃষ্টিশক্তি নথকা, বৌদ্ধিক আথবা মানসিক বাধাগ্ৰস্ততা থকা ব্যক্তি সকলে সহায়কাৰীৰ ওপৰত নিৰ্ভৰশীল হয় আৰু সহায়কাৰী আহিলাৰ ক্ষেত্ৰটো তেওঁলোকক সহায় দৰকাৰ হ'ব পাৰে।

- Lockdown ৰ সময়ত বাধাগ্ৰস্ত জনৰ সহায়কাৰী জনে কোনো বাধাৰ সন্মুখীন নোহোৱাকৈ যাতে বাধাগ্ৰস্ত ব্যক্তিজনৰ ওচৰ পাব পাৰে, তাৰ সুব্যৱস্থা কৰিব লাগিব।

- Resident Welfare Association সমূহক বাধাগ্ৰস্তসকলৰ প্ৰয়োজনীয়তাৰ বিষয়ে জনাব লাগিব যাতে ঘৰুৱা সহায় আৰু সহায়কাৰীসকলক প্ৰয়োজনীয় পৰিস্কাৰ পৰিছন্নতা অৱলম্বণ কৰি তেওঁলোকৰ ঘৰত প্ৰবেশ কৰাৰ অনুমতি দিয়ে।

- বাধাগ্ৰস্তসকল য'ত আছুতীয়াকৈ অথবা পৃথককৈ থাকিব, তাতে তেওঁলোকক প্ৰয়োজনীয় খাদ্য-সামগ্ৰী, পানী, ঔষধ আদিকে ধৰি প্ৰয়োজনীয় সামগ্ৰী সমূহ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগিব।

- বাধাগ্ৰস্তসকলৰ অসুবিধা অনুসৰি অতিৰিক্ত সুৰক্ষা ব্যৱস্থা লব লাগিব আৰু যিসকলে জৰুৰীকালীন অৱস্থাত যাত্ৰা কৰিবলৈ যাত্ৰা অনুমতি পত্ৰ পাব, তেওঁলোকক পৰিস্কাৰ পৰিছন্নতাৰ লগতে নিজস্ব সুৰক্ষাৰ ওপৰত সজাগ কৰিব লাগিব।

- দৃষ্টিশক্তি নথকা, অন্য বাধাগ্ৰস্ততা বেছি পৰিমাণে থকা চৰকাৰী অথবা বেচৰকাৰী কৰ্মচাৰী সকলক জৰুৰী অৱস্থাৰ প্ৰয়োজনীয় কৰ্তব্যৰ পৰা ৰেহাই দিব লাগিব, কাৰণ তেওঁলোকলৈ অতি সহজে কোনো ৰোগ সোঁচৰিব পাৰে।

- বাধাগ্ৰস্তসকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ দুঃচিন্তা আঁতৰাবলৈ অনলাইন পৰামৰ্শ (Online Counselling) ৰ ব্যৱস্থা কৰিব লাগিব।

- কেৱল বাধাগ্ৰস্ত সকলৰ বাবে ২৪x৭ সহায়কাৰী নম্বৰ ৰাজ্যিক ভিত্তিক স্থাপন কৰিব লাগিব আৰু তাত সাংকেতিক ভাষা (Sign Language) আৰু Video Call ৰ সুবিধা থাকিব লাগিব।

কভিড-১৯ (COVID-19) ৰ সময়ত 'বাধাগ্ৰস্ত সকলৰ ৰাজ্যিক আয়োক্ত' (State Commissioner for Persons with Disabilities) হৈছে বাধাগ্ৰস্ত ব্যক্তিসকলৰ বাবে মূখ্য অধিকাৰী (Nodal Authority)| এই সময়ত বাধাগ্ৰস্ত সকলৰ মূখ্য অধিকাৰী হিচাপে বাধাগ্ৰস্ত সকলৰ ৰাজ্যিক আয়োক্তই, বাধাগ্ৰস্ত সকলৰ যিকোনো ধৰণৰ অসুবিধাৰ সমাধানৰ বাবে, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা আধিকাৰী, স্বাস্থ্য বিভাগ, আৰক্ষীৰ লগতে জিলা উপায়ুক্তসমূহ আৰু বাধাগ্ৰস্ত সকলৰ লগত জৰিত অন্যান্য কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিব পাৰিব।